**NSD NEWS BULLETIN**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-10-2026
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***Headlines***
**:::::::::::::::::::::::::::::::**

১। প্ৰধ১। কৰ্পোৰেট প্ৰশাসন ব্যৱস্থা আধুনিক অৰ্থনীতি অদৃশ্য আন্তঃগাঁথনি বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছে।
২। অসমৰ নগাঁও লোকসভা সমষ্টিৰ লগতে তামিলনাডু, পুডুচেৰী আৰু পশ্চিম বংগৰ পাঁচখন বিধানসভা আসনত হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিছে।
৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত ৬২ সংখ্যক মিউনিখ নিৰাপত্তা সন্মিলনত অংশগ্ৰহণ কৰে।
৪। কেন্দ্ৰীয় মন্ত্ৰী ডাঃ জীতেন্দ্ৰ সিঙে কাইলৈ নতুন দিল্লীত সপ্তদশ পেন্সন আদালতত অধ্যক্ষতা কৰিব।
*আৰু*
৫। দুসপ্তাহতকৈ অধিক সময়জোৰা ৰোমাঞ্চকৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত আজি জাপানত অনুষ্ঠিত এছিয়ান গেমছ্‌ৰ সামৰণি পৰিছে।

০০০০

কৰ্পোৰেট প্ৰশাসন ব্যৱস্থা আধুনিক অৰ্থনীতি অদৃশ্য আন্তঃগাঁথনি বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি ভাৰতৰ কোম্পানী সচিবসকলৰ প্ৰতিষ্ঠান- আই চি এছ্ আইৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ শ্ৰীৰাধাকৃষ্ণণে এইদৰে কয়। তেওঁ কয় যে বিকশিত ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত শক্তিশালী প্ৰতিষ্ঠান আৰু আন উন্নত প্ৰশাসন ব্যৱস্থাই বাস্তৱসন্মত আৰু ডিজিটলে আন্তঃগাঁথনিৰ সমানেই গুৰুত্ব বহন কৰে। দীৰ্ঘস্থায়ী অৰ্থনৈতিক বিকাশৰ বাবে বিনিয়োগকাৰীৰ আস্থা অত্যন্ত গুৰুত্বপূৰ্ণ বুলি শ্ৰীৰাধাকৃষ্ণণে মন্তব্য কৰে। তেওঁ কয় যে ভাৰতে প্ৰযুক্তিৰ ক্ষেত্ৰত দ্ৰুতগতিত অগ্ৰগতি লাভ কৰাৰ সমান্তৰালকৈ বিশ্ব দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে পৰিগণিত হৈছে।

বাইট (ভি পি)

আই চি এছ্ আইৰ বিষয়ে উল্লেখ কৰি শ্ৰীৰাধাকৃষ্ণণে উন্নত কৰ্পোৰেট প্ৰশাসন ব্যৱস্থাৰ প্ৰসাৰৰ ক্ষেত্ৰত যোগোৰা অৰিহণাৰ বাবে প্ৰতিষ্ঠানটোক প্ৰশংসা কৰে আৰু ইয়াক বহনক্ষম উন্নয়নৰ গোলকীয় মান বুলি অভিহিত কৰে। এখন শক্তিশালী আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণত আই চি এছ্ আইৰ সমূহীয়া প্ৰচেষ্টাই দেশক বিশ্বৰ সৰ্ববৃহৎ অৰ্থনীতি হিচাপে গঢ়ি তুলিব বুলি তেওঁ আশা ব্যক্ত কৰে। তেওঁ কয় যে কোনো শক্তিয়ে যাতে ভাৰতৰ বাবে চৰ্ত নিৰ্ধাৰণ কৰিব নোৱাৰে তাৰ বাবে দেশখনে বিশ্বৰ সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হোৱাৰ আকাংক্ষা সজীৱ কৰি ৰখা হৈছে।

০০০০

অসমৰ নগাঁও লোকসভা সমষ্টিৰ লগতে তামিলনাডু, পুডুচেৰী আৰু পশ্চিম বংগৰ পাঁচখন বিধানসভা আসনত হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিছে। এই আসনসমূহৰ বাবে পৰহিলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই আসনসমূহৰ বাবে শুকুৰবাৰে ভোটগণনা কৰা হ'ব। তামিলনাডুৰ মাদুৰণটকম আৰু ধাৰাপুৰম, পুডুচেৰীৰ থাট্টানছাবাদি, পশ্চিম বংগৰ ৰেজিনগৰ আৰু নন্দীগ্ৰাম বিধানসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। অসমৰ নগাঁও লোকসভা আসনখনৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হ'ব। সমষ্টিটোৰ পূৰ্বৰ সাংসদ কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈয়ে পদত্যাগ কৰাৰ ফলত

আসনখন খালী হৈছিল। নগাঁৱত আজি প্ৰচাৰ অভিযানৰ অন্তিম দিনা শাসকীয় বিজেপি আৰু বিৰোধী ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰাজহুৱা সভা সমদল অনুষ্ঠিত কৰি প্ৰচাৰ অভিযান চলায়।

সমষ্টিটোৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ সুকলমে আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনে যাবতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে ইতিমধ্যে মৰিগাঁও জিলা ভ্ৰমণ কৰি উপ-নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনৰ প্ৰস্তুতিৰ বুজ লৈছে। ভোটগ্ৰহণৰ প্ৰাক মুহূৰ্তত অবৈধ ধন আৰু নিচাযুক্ত সামগ্ৰীৰ সৰবৰাহ ৰোধ কৰাৰ স্বাৰ্থত নিয়োজিত ফ্লায়িং স্কোৱাডে অভিযান অব্যাহত ৰাখিছে। জিলা প্ৰশাসনে নিৰ্বাচনত ধনৰ লেন দেন ৰোধ কৰাৰ বাবে গঠন কৰা ৪৫টা নিৰীক্ষণকাৰী দল আৰু ৪৫টা স্থায়ী নিৰীক্ষণকাৰী দলে বিভিন্ন প্ৰান্তত অভিযান চলাই আছে।

০০০০

সম্ভাৱনাপূৰ্ণ আৰু মধ্যম শক্তিৰ বাবে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা, যোগান শৃংখলাৰ স্থিতিস্থাপকতা আৰু সংযোগ অতি গুৰুত্বপূৰ্ণ কাৰ্যক্ৰমণিকা। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি নতুন দিল্লীত ৬২ সংখ্যক মিউনিখ নিৰাপত্তা সন্মিলনত অংশগ্ৰহণ কৰি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে বিশ্বৰ গ্লোবেল ছাউথ আৰু নৰ্থৰ সম্ভাৱনাপূৰ্ণ আৰু মধ্যম শক্তিৰ দেশসমূহে বিশ্বৰ আগশাৰীৰ দেশত পৰিণত হোৱাৰ উমৈহতীয়া লক্ষ্যৰ জৰিয়তে একত্ৰিত হৈছে। বৰ্তমান বিশ্ব সলনি হোৱাৰ লগে লগে ইয়াৰ কাৰ্যক্ৰমণিকা আৰু পৰিবেশো সলনি হৈছে গতিকে সম্ভাৱনাপূৰ্ণ আৰু মধ্যম শক্তিৰ দেশসমূহে সহযোগিতা কৰাৰ বাবে বহু কাৰ্যক্ৰমণিকা আছে বুলি তেওঁ উল্লেখ কৰে। ড০ জয়শংকৰে কয় যে সম্ভাৱনাপূৰ্ণ আৰু মধ্যম শক্তিৰ পদ্ধতিসমূহ হৈছে বিপদমুক্ত আৰু বৈচিত্ৰ্যপূৰ্ণ। লগতে এই পদ্ধতিসমূহে কাৰ্যক্ৰমণিকা-ভিত্তিক সহযোগিতা অনুসৰণ কৰে। এই দেশসমূহৰ আন্তঃৰাজ্যিক সহযোগিতা শক্তিশালী কৰাৰ প্ৰতিও আগ্ৰহ আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি আৰু পেঞ্চন দপ্তৰৰ মন্ত্ৰী ডাঃ জীতেন্দ্ৰ সিঙে কাইলৈ নতুন দিল্লীত সপ্তদশ পেঞ্চন আদালতত অধ্যক্ষতা কৰিব। কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি আৰু পেঞ্চন মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে জ্যেষ্ঠ পেঞ্চনাৰ আৰু পেঞ্চনভোগী পৰিয়ালসমূহৰ ৮৯৭টা দীৰ্ঘদিনীয়া ওজৰ-আপত্তিৰ গোচৰ নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা হ'ব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ডাঃ সিঙে চলিত বছৰৰ ১৩ মে'ত অনুষ্ঠিত ষোড়শ পেঞ্চন আদালতৰ সফলতাৰ বিষয়ে বৰ্ণিত প্ৰচাৰ-পত্ৰিকা মুকলি কৰিব। এই অনুষ্ঠানতে পেঞ্চনভোগী পৰিয়ালসমূহে সন্মুখীন হোৱা বিভিন্ন বিষয় সাঙুৰি এখন পুস্তিকাও মুকলি কৰা হ'ব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পেঞ্চন আদালতত ২৮ হাজাৰ ৭৯৭টা ওজৰ-আপত্তিৰ গোচৰৰ ভিতৰত ২০ হাজাৰ ৬৭৬টা থিতাতে নিষ্পত্তি কৰা হৈছে। ২০১৭ চনত এই আদালত আৰম্ভ হোৱাৰ পৰা ১৬টা সংস্কৰণত লাভ কৰা সফলতাৰ হাৰ ৭১ দশমিক ৭-৯ শতাংশ বুলি মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চৰকাৰে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে।

এই অভিযানৰ সৈতে সংগতি ৰাখি প্ৰচাৰ কৰি অহা আমাৰ প্ৰতিবেদনত আজি তিনিখন নতুন ফৌজদাৰী আইনৰ জৰিয়তে কিদৰে ন্যায় ব্যৱস্থাৰ সুবিধা লাভ কৰাটো সহজসাধ্য হৈ পৰিছে সেই বিষয়ে প্ৰচাৰ কৰিবলৈ লোৱা হৈছে।

২০২৪ চনৰ ১ জুলাইত কাৰ্যকৰী হোৱা তিনিখন নতুন ফৌজদাৰী আইনে নাগৰিকৰ সবলীকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই আইন তিনিখনে জনসাধাৰণৰ বাবে সহজলভ্য, দক্ষ আৰু সহযোগিতামূলক ন্যায় ব্যৱস্থা গঢ়ি তুলিছে। ইয়াৰ অধীনত শূন্য এজাহাৰ, ফাষ্ট ট্ৰেক তদন্ত প্ৰক্ৰিয়া, ফৰেণচিক তথ্য প্ৰমাণ সংগ্ৰহকে ধৰি বিভিন্ন নতুন ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। নতুন আইন তিনিখন প্ৰৱৰ্তনৰ পাছত এখন জনসভাত দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয়

ন্যায় সংহিতাৰ মূলমন্ত্ৰ নাগৰিককেন্দ্ৰিক বুলি অভিহিত কৰে। এই আইনে নাগৰিকৰ অধিকাৰ সুৰক্ষিত কৰাৰ লগতে ন্যায় প্ৰদানৰ সুচলতাৰ ভেটি স্থাপন কৰিলে বুলিও তেওঁ মন্তব্য কৰে।

(বাইট - মোদী)

০০০০

বায়ুৰ গুণাগুণ ব্যৱস্থাপনা আয়োগে দিল্লীত পথৰ ধূলি আৰু পথ পৰিস্কাৰ অভিযানৰ প্ৰভাৱৰ মূল্যায়ন কৰাৰ উদ্দেশ্যে এন চি আৰ আৰু দাঁতিকাষৰীয়া অঞ্চলসমূহত কালি বিশেষ নিৰীক্ষণ অভিযান চলায়। কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে কৈছে যে এই অভিযানৰ বাবে নিয়োগ কৰা চাৰিটা ফ্লায়িং স্কোৱাডে দিল্লীৰ গড়কাপ্তানি বিভাগৰ অধীনৰ ৩৫ কিলোমিটাৰ অঞ্চলৰ ২৫টা পথত নিৰীক্ষণ অভিযান চলায়। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পথ পৰিস্কাৰৰ ব্যৱস্থাসমূহ কঠোৰভাৱে পালন কৰাৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই অভিযান ৰূপায়ণ কৰা হৈছে। নিৰীক্ষণৰ সময়ত নিয়ম ভংগ কৰা ১৭টা গোচৰ ৰুজু কৰা হৈছে। বায়ুৰ গুণাগুণ ব্যৱস্থাপনা আয়োগৰ বাবে দিল্লীৰ গড়কাপ্তানি বিভাগৰ লগতে সংশ্লিষ্ট সংস্থাসমূহক পথৰ ধূলি নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ নিৰ্দেশ দিছে।

০০০০

দুসপ্তাহতকৈ অধিক সময়জোৰা ৰোমাঞ্চকৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত আজি জাপানত অনুষ্ঠিত এছিয়ান গেমছৰ সামৰণি পৰিছে। এছিয়া অলিম্পিক পৰিষদৰ অধ্যক্ষই আনুষ্ঠানিকভাৱে এই ক্ৰীড়াৰ সামৰণি ঘোষণা কৰে। খেলুৱৈসকলৰ কুচ-কাৱাজ আৰু ২০৩০ চনত কাটাৰৰ ডোহাত হ'বলগীয়া এছিয়ান গেমছৰ আয়োজক সমিতিৰ প্ৰতিনিধিক শিখা হস্তান্তৰকে ধৰি পৰম্পৰাগত প্ৰক্ৰিয়াৰে সামৰণিৰ আনুষ্ঠানিকতা সম্পন্ন হয়। সামৰণি অনুষ্ঠানত দুটা স্বৰ্ণপদক আৰু এটা ৰূপৰ পদক বিজয়ী শ্বুটাৰ নিৰু ধাণ্ডাই ভাৰতৰ মহিলা দলৰ ধবজা বহন কৰে। নাগ'য়া চহৰৰ পালোমা মিজোহো ষ্টেডিয়ামত ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাৰ পৰা সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। ভাৰতে এইবাৰৰ প্ৰতিযোগিতাত সুন্দৰ প্ৰদৰ্শনেৰে ২১টা সোণ, ২৭টা ৰূপ আৰু ৩৭টা ব্ৰঞ্জ সহ মুঠ ৮৫টা পদকেৰে প্ৰতিযোগিতাৰ তালিকাত চতুৰ্থ স্থান দখল কৰিছে।

০০০০

সমাপ্ত